# নিৰ্বাচন প্ৰাধিকৰী, বাহনা মহাবিদ্যালয়
## ছাত্ৰ একতা সভা সাধাৰণ নিৰ্বাচন ২০২৫-২৬
## Election Commissioner, Bahona College
## Election of Students' Union, 2025-26

দিনাংকঃ ৪ ছেপ্তেম্বৰ, ২০২৫

## নিৰ্বাচনী বিধি

আগন্তক সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে নিম্ন লিখিত চৰ্তসমূহ মানি চলিবলৈ নিজকে প্ৰস্তুত কৰিব লাগিব।

১।মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা পদসমূহত প্ৰতিদ্বন্দিতা কৰিব পাৰিব-

ক)সভাপতি/ সভানেত্ৰী

খ) উপ-সভাপতি/ উপ-সভানেত্ৰী

গ) সাধাৰণ সম্পাদক/ সম্পাদিকা

ঘ) সহকাৰী সাধাৰণ সম্পাদক/ সম্পাদিকা

ঙ) ক্ৰীড়া সম্পাদক/ সম্পাদিকা

চ) সহকাৰী ক্ৰীড়া সম্পাদিকা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

ছ) সাংস্কৃতিক সম্পাদক/সম্পাদিকা

জ) সহকাৰী সাংস্কৃতিক সম্পাদিকা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

ঝ) ছাত্ৰ জিৰণি কোঠা সম্পাদক

ঞ) ছাত্ৰী জিৰণি কোঠা সম্পাদিকা

ট) তৰ্ক আৰু কুইজ সম্পাদক/ সম্পাদিকা

ঠ) সহকাৰী তৰ্ক আৰু কুইজ সম্পাদক/ সম্পাদিকা

ড) সমাজ সেৱা সম্পাদক/ সম্পাদিকা

ঢ) সহকাৰী সমাজ সেৱা সম্পাদিকা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

ণ) আলোচনী সম্পাদিকা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

ত) সহকাৰী আলোচনী সম্পাদক/ সম্পাদিকা

থ) সাহিত্য চ'ৰা সম্পাদক/ সম্পাদিকা

দ) সহকাৰী সাহিত্য চ'ৰা সম্পাদক/ সম্পাদিকা

ধ) শ্ৰেণী প্ৰতিনিধিঃ

- উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষ (কলা)
- উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষ (বিজ্ঞান)
- উচ্চতৰ মাধ্যমিক দ্বিতীয়বৰ্ষ (কলা)
- উচ্চতৰ মাধ্যমিক দ্বিতীয়বৰ্ষ (বিজ্ঞান)
- স্নাতক প্ৰথম ষান্মাসিক
- স্নাতক তৃতীয় ষান্মাসিক
- স্নাতক পঞ্চম ষান্মাসিক

২। একেগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে সৰ্বাধিক দুটা পদৰ বাবে প্ৰাৰ্থিত্ব দিব পাৰিব। কিন্তু এটা পদতহে প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিব। এই ক্ষেত্ৰত নিম্নস্বাক্ষৰকাৰীৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৩। সভাপতি বা সভানেত্ৰীগৰাকী স্নাতক চূড়ান্ত বৰ্ষৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰ বা ছাত্ৰী হ'ব লাগিব।

৪। উপসভাপতি/ উপসভানেত্ৰীপদত কেৱল স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিব। প্ৰাৰ্থীজন স্নাতক মহলাৰ প্ৰথম আৰু চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হ'ব নোৱাৰিব।

৫। সাধাৰণ সম্পাদক/ সম্পাদিকা পদত কেৱল স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিব। প্ৰাৰ্থীজন স্নাতক মহলাৰ প্ৰথম আৰু চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হ'ব নোৱাৰিব।

৬। সহকাৰী সাধাৰণ সম্পাদক/ সম্পাদিকা পদত কেৱল স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিব। প্ৰাৰ্থীজন স্নাতক মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হ'ব নোৱাৰিব।

৭।ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক/ সম্পাদিকা পদৰ প্ৰাৰ্থী হ'বলৈ স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব। প্ৰাৰ্থীজন স্নাতক মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হ'ব নোৱাৰিব।

৮।ছাত্ৰ একতা সভাৰ বিভাগীয় সহকাৰী সম্পাদক/ সম্পাদিকা পদত স্নাতক চূড়ান্ত বৰ্ষ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ বাহিৰে আন শ্ৰেণীসমূহৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পাৰিব।

৯। নিৰ্বাচন প্ৰাধিকাৰী, অধ্যক্ষ আৰু মহিলা কোষৰ সভানেত্ৰী তথা সম্পাদিকাৰ বৈঠকৰ সিদ্ধান্তমৰ্মে মুঠ বিভাগীয় পদবীৰ ৩০% আসন হিচাপে তলৰ পদসমূহ ছাত্ৰীৰ বাবে সংৰক্ষিত কৰা হৈছে-

- সহকাৰী সাংস্কৃতিক সম্পাদিকা
- সহকাৰী ক্ৰীড়া সম্পাদিকা
- সহকাৰী সমাজ সেৱা সম্পাদিকা
- আলোচনী সম্পাদিকা

১০। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত কেৱল ছাত্ৰই আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত কেৱল ছাত্ৰীয়েহে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

১১। শ্ৰেণী প্ৰতিনিধি নিৰ্বাচন কেৱল নিজ নিজ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়েহে কৰিব পাৰিব। প্ৰতি শ্ৰেণীৰ পৰা এজনকৈ প্ৰতিনিধি নিৰ্বাচন কৰিব পাৰিব।

১২। প্ৰাৰ্থীৰ মহাবিদ্যালয়ত উপস্থিতিৰ হাৰ নূন্যতম ৭৫ শতাংশ হ'ব লাগিব। মনোনয়ন পত্ৰৰ লগত বিভাগীয় মুৰব্বী অধ্যাপক/অধ্যাপিকাই প্ৰদান কৰা সন্তোষজনক উপস্থিতিৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব। উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহৰ ছাত্ৰ-ছাত্ৰী হ'লে ইংৰাজী বিভাগ বা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক/অধ্যাপিকাই প্ৰদান কৰা সন্তোষজনক উপস্থিতিৰ প্ৰমাণ পত্ৰ গাঁঠি দিব লাগিব। শ্ৰেণী আৰম্ভ হোৱা তাৰিখৰ পৰা 8 ছেপ্তেম্বৰ ২০২৫ লৈকে হোৱা শ্ৰেণীসমূহৰ ভিত্তিত উপস্থিতি গণনা কৰা হ'ব।

১৩।প্ৰাৰ্থীত্ব আগবঢ়াব বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাত কোনো বিষয়তে বেক (Backlog) থাকিব নোৱাৰিব।

১৪। প্ৰাৰ্থীগৰাকীৰ বয়স 8 ছেপ্তেম্বৰ, ২০২৫ তাৰিখে উৰ্ধতম বাইশ (২২) বছৰ হ'ব পাৰিব।

১৫। এজন প্ৰাৰ্থী অন্য এজন প্ৰাৰ্থীৰ প্ৰস্তাৱক বা সমৰ্থক হ'ব নোৱাৰিব।

১৬। একেজন প্ৰস্তাৱক বা সমৰ্থকে দুজন বা ততোধিক প্ৰাৰ্থীৰ প্ৰস্তাৱক বা সমৰ্থক হ'ব নোৱাৰিব।

১৭। অনুশাসনমূলক ব্যৱস্থা লোৱা ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াব নোৱাৰিব ।

১৮। প্ৰাৰ্থী, প্ৰস্তাৱক আৰু সমৰ্থক সকলে নামভৰ্তিৰ ৰছিদ মনোনয়ন পত্ৰৰ লগত গাঁঠি দিব লাগিব আৰু বিগত পৰীক্ষা সমূহৰ Marksheet ৰ ফটোকপি জমা দিব লাগিব।

১৯। বয়সৰ প্ৰমাণ-পত্ৰ হিচাপে H.S.L.C. ৰ Admit Card ৰ ফটোকপি জমা দিব লাগিব।

২০। প্ৰতিজন প্ৰাৰ্থীয়ে নিৰ্বাচনৰ মনোনয়ন পত্ৰৰ সৈতে ৫০০.০০ (পাঁচশ টকা) আমানত ধন হিচাপে জমা দিব লাগিব। ফলাফল ঘোষণাৰ ৪৮ ঘণ্টাৰ পাছত পৰাজিত হোৱা প্ৰাৰ্থীয়ে আমানত ধন ঘূৰাই পাব। অৱশ্যে নিৰ্বাচনৰ সময়ছোৱাত কোনো প্ৰাৰ্থীয়ে অথবা তেওঁৰ সমৰ্থকে মহাবিদ্যালয়ৰ ক্ষয়-ক্ষতি বা অনুশাসন ভংগ কৰিলে আমানত ধন ঘূৰাই দিয়া নহ'ব। বিজয়ী প্ৰাৰ্থীৰ আমানত ধন ছাত্ৰ একতা সভাৰ পুঁজিত জমা থাকিব আৰু আপত্তিবিহীনভাৱে কাৰ্যকাল সমাপ্ত কৰিলে কাৰ্যকাল শেষ হোৱাৰ এমাহৰ ভিতৰত আমানত ধন ঘূৰাই পাব।

২১। মনোনয়ন পত্ৰ বন্ধ খামত নিৰ্বাচন প্ৰাধিকাৰীৰ ঠিকনাত বা নমিনেচন Box ত জমা দিব লাগিব।

২২। প্ৰাৰ্থীত্ব আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচনত কোনো ধৰণৰ Printed Poster/Pamphlet আদি ব্যৱহাৰ কৰিব নোৱাৰিব।

২৩। প্ৰচাৰ অভিযানত প্ৰাৰ্থীয়ে কোনো ধৰণৰ Loudspeaker, যান-বাহন আৰু জীৱ-জন্তু ব্যৱহাৰ কৰা নিষেধ।

২৪। মহাবিদ্যালয়ৰ স্থায়ী সম্পদৰ ওপৰত কোনো প্ৰাৰ্থীয়ে বেনাৰ, ৰং আদিৰে প্ৰচাৰ চলাব নোৱাৰিব ।

২৫। ছ'চিয়েল মিডিয়া প্ৰচাৰ নিৰীক্ষণ সমিতিৰ দ্বাৰা জাৰি কৰা ছ'চিয়েল মিডিয়া প্ৰচাৰৰ সৈতে জড়িত নিয়ম-নীতিসমূহ প্ৰাৰ্থীয়ে মানি চলিব লাগিব।

২৬। এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত সৰ্বোচ্চ ৫,০০০.০০ (পাঁচ হেজাৰ) টকা ব্যয় কৰিব পাৰিব।

২৭। ছাত্ৰ-ছাত্ৰী আৰু প্ৰাৰ্থীসকলে ৰাজনৈতিক নিৰ্লিপ্ততা অৱলম্বন কৰিব যাতে কোনো দলীয় ৰাজনৈতিক কাৰ্যকলাপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ একতাত ব্যাঘাত নজন্মায়।

২৮। বাহনা মহাবিদ্যালয়ত নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত ভোটদান কৰিব পাৰিব। এইযোগ্যতাৰ মাপকাঠীৰ ভিত্তিত ভোটাৰ তালিকা প্ৰস্তুত কৰি মহাবিদ্যালয়ৰ ৱেবছাইটত প্ৰকাশ কৰা হৈছে।

২৯। ভোটদানৰ বাবে এজন ছাত্ৰ বা ছাত্ৰীয়ে তলত উল্লেখ কৰা যিকোনো এটা নথিপত্ৰ (Original) প্ৰমাণ হিচাপে ভোট গ্ৰহণকাৰীবিষয়াক দেখুৱাব লাগিব-

ক) নামভৰ্তিৰ ৰচিদ

খ) মহাবিদ্যালয়ৰ ID

গ) আধাৰকাৰ্ড

ঘ) HSLC Admit Card

৩০। নিৰ্বাচনৰ সময়সূচীঃ

ক) মনোনয়ন প্ৰ-পত্ৰ প্ৰদানঃ ৪ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুপৰীয়া ১২.০০ বজাৰ পৰা ৬ ছেপ্তেম্বৰ ২০২৫ তাৰিখে বিয়লি ৩.৩০ বজালৈ মহাবিদ্যালয় কাৰ্যালয়ত মনোনয়ন প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। প্ৰাৰ্থীয়ে প্ৰতিখন মনোনয়ন প্ৰ-পত্ৰৰ বাবে মাত্ৰ ৫.০০ টকা (পাঁচটকা) পৰিশোধ কৰিব লাগিব। মনোনয়ন প্ৰ-পত্ৰ কেৱল কাৰ্যালয় খোলাৰ সময়তহে প্ৰদান কৰা হ'ব।

খ) মনোনয়ন পত্ৰ দাখিলঃ ৬, ৮, ৯, আৰু ১০ ছেপ্তেম্বৰ ২০২৫ তাৰিখে পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৩.৩০ বজালৈকে মনোনয়ন প্ৰ-পত্ৰ দাখিল কৰিব পাৰিব।

গ) মনোনয়ন পত্ৰ পৰীক্ষাঃ ১১ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুপৰীয়া ১.১৫ বজাৰ পৰা।

ঘ) বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশঃ ১৩ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুপৰীয়া ১.১৫ বজাত।

ঙ) বৈধ মনোনয়ন প্ৰত্যাহাৰঃ ১৫ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে পুৱা ৯-৩০ বজাৰ পৰা দিনৰ ১১.০০ বজালৈ।

চ) প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশঃ ১৫ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে বিয়লি ২-৩০ বজাত।

ছ) নিৰ্বাচনী প্ৰচাৰঃ ১৫ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে আবেলি ২-৩০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ আৰু ১৬ ছেপ্তেম্বৰ, ২০২৫ ৰ পৰা ১৭ ছেপ্তেম্বৰ, ২০২৫ লৈ, দিনৰ ৯-১৫ বজাৰ পৰা আবেলি ৪-০০ লৈ প্ৰচাৰ চলাব পৰিব ।

জ) মঞ্চ প্ৰচাৰঃ ১৮ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দিনৰ ১.০০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহত।

ঝ) ভোটগ্ৰহণঃ ২০ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে পুৱা ৯.৩০ বজাৰ পৰা ২০ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুপৰীয়া ২.৩০ বজালৈ।

ঞ) ভোটগণনাঃ ২০ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দিনৰ ৩.১৫ বজাৰ পৰা।

ট) ফলাফল ঘোষণাঃ গণনা শেষ হোৱাৰ লগে লগে নিৰ্বাচনী প্ৰাধিকাৰীৰ দ্বাৰা ফলাফল ঘোষণা।

৩১। ভোটদান প্ৰক্ৰিয়াঃ ২০২৫-২০২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া **Electronic Voting Machine (EVM)** জৰিয়তে সম্পাদন হ'ব ।

৩২। নিৰ্বাচনী ফলাফল ঘোষণাৰ পিছত কোনো ওজৰ-আপত্তি থাকিলে লিখিত ভাবে Grievance Redressal Cell ক জনাব লাগিব ।

৩৩। নির্বাচন সংক্রান্তত কোনো অশুভ পৰিস্থিতিৰ সৃষ্টি হ'লে নির্বাচন প্ৰাধিকাৰীক দৃষ্টি গোচৰকৰা বাঞ্ছনীয়। এনে ক্ষেত্ৰত গুৰুতৰ শাস্তি বিধান কৰা ক্ষমতা অধ্যক্ষৰ হাতত ন্যাস্ত কৰা হৈছে ।

৩৪। মহাবিদ্যালয় কর্তৃপক্ষ, নির্বাচনত জড়িত শিক্ষক-কর্মচাৰী, প্রার্থী, প্ৰস্তাৱক, সমর্থক আৰু ছাত্ৰ-ছাত্ৰীসকলে উচ্চতম ন্যায়ালয়ৰ নীতি নির্দেশনা (SLP (c) No. 24295/2004-University of Kerala Vs Council, Principals of Colleges -Judgement dated 22-09-2006 passed by the Hon'ble Supreme Court of India) মানি চলিব লাগিব ।

৩৫। দফা ৩০নং ত উল্লেখিত তাৰিখ আৰু ভোটগ্ৰহণৰ সময়সীমা একান্তই এৰাব নোৱাৰা কাৰণত সলনি কৰিবলগীয়া হ'লে উক্ত তাৰিখৰ ৪৮ ঘণ্টাৰ আগত নির্বাচন প্ৰাধিকাৰীয়ে জাননী যোগে অৱগত কৰিব।

৩৬। নির্বাচন প্ৰাধিকাৰীয়ে ইয়াত উল্লেখ কৰা নীতি-নিয়মসমূহ প্ৰয়োজনত সলনি কৰিব পাৰিব। অৱশ্যে এনে সলনি কৰিলে আনুষ্ঠানিক জাননী প্ৰদান কৰাহ'ব।

নির্বাচন প্ৰাধিকাৰী
(ডঃ ৰঞ্জিত পেগু)

উপ-নির্বাচন প্ৰাধিকাৰী
(ডঃ পংকজ বৰা)

উপ-নির্বাচন প্ৰাধিকাৰী
(ডঃ ৰীমা ৰাভা)

Election of Bahona College Students' Union 2025-26

বাহনা মহাবিদ্যালয় ছাত্র একতা সভাৰ নির্বাচন, ২০২৫-২৬